আৰু কম্পিউটাৰ।"

২ নং প্ৰশ্নৰ উত্তৰ ঃ গণ-মাধ্যমৰ এক গুৰুত্বপূৰ্ণ কাৰ্য হ'ল জনসধাৰণৰ মতামতক প্ৰভাৱিত কৰা আৰু সাধাৰণীকৰণ কৰা। বিভিন্ন গণ মাধ্যমবোৰে মন সলনি কৰিব পাৰে আৰু জীৱনৰ বিভিন্ন দিশৰ মতামত পৰিৱৰ্তন কৰিব পাৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ জনসংখ্যা নিয়ন্ত্রণত গণ মাধ্যমৰ গুৰুত্বৰ দুটা দিশ হ'ল—

- শিকাবলগীয়া বিষয়বস্তুৰ আকাৰৰ সমস্যা গণ মাধ্যমে কম কৰে। বিষয়বস্তু বহুত বেছি বা কম হ'লে ছাত্ৰ-ছাত্ৰীৰ আগত সেৱা উপস্থাপন কৰিব নোৱাৰি। এইধৰণৰ বিষয়বস্তুবোৰ বিভিন্ন প্ৰকাৰৰ গণ মাধ্যমৰ যোগে উপস্থাপন কৰিব পাৰি।
- শিকন শিক্ষণ প্ৰক্ৰিয়াত দূৰত্বৰ সমস্যা গণ-মাধ্যমে নিৰাময় কৰিব পাৰে। এই দূৰত্ব শিক্ষক আৰু ছাত্ৰৰ মাজত, শ্ৰেণীকোঠা আৰু শিকাবলগীয়া বস্তুৰ স্থান আদিৰ মাজত হ'ব পাৰে। এই সকলোবোৰ দূৰত্বৰ সমস্যা গণ মাধ্যমৰ ব্যৱহাৰে নিৰাময় কৰিব পাৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বিভিন্ন প্ৰকাৰৰ প্ৰক্ষেপণ সজুলিবোৰ হ'ল— ফিল্মষ্ট্ৰীপ, অভাৰহেড প্ৰজেক্টৰ, শ্লাইড প্ৰজেক্টৰ, CCTV আৰু এপিডিয়াস্ক'প।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ আৰ জি ৰেনল্ডৰ ভাষাত, "বহু বছৰৰ আগৰ সম্প্ৰচাৰৰ দিশেৰে ৰেডিঅ' হৈছে শিক্ষাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ মাধ্যম। শ্ৰেণীকোঠাৰ পৰিৱেশৰ বিকল্প স্বৰূপে ইয়াৰ গুৰুত্ব অপৰিসীম। বিদ্যালয়ৰ প্ৰতিদিনৰ পাঁচ বা ছয় ঘণ্টাৰ শিক্ষাদানৰ মাজত ইয়াৰ পৰিসৰ সীমাবদ্ধ নহয়। ই ৰাতিপুৱাৰ পৰা মাজনিশালৈ উপলব্ধ হৈ থাকে। ৰেডিঅ'ই সম্প্ৰচাৰ কৰা শৈক্ষিক আৰু সাংস্কৃতিক কাৰ্যসূচীবোৰৰ উপযোগকৰণৰ সহায়ত শিশু আৰু প্ৰাপ্তবয়স্ক সকলো মানুহে বিশ্বৰ সকলো জ্ঞান আৰু কলাৰ খবৰ লাভ কৰিব পাৰে। এনে দিনো আহিব যেতিয়া পাঠ্যপুথি আৰু ব্লেকবোৰ্ডৰ পৰিৱৰ্তে সাধাৰণভাৱে শিক্ষাৰ সজুঁলি স্বৰূপে ইয়াৰ ব্যৱহাৰ কৰা হ'ব।"

৬ নং প্ৰশ্নৰ উত্তৰ ঃ জনসংখ্যাৰ লগত সম্বন্ধিত বিভিন্ন বিষয়ৰ ঘটনা, ছবি, কাৰ্টুন, পোষ্টাৰ, মনচিত্ৰ, শ্লোগান, বাতৰি, তালিকা আদিৰ সহায়ত শিক্ষকে উপস্থাপন কৰিব পাৰে। শিক্ষকে জনসংখ্যাৰ লগত সম্বন্ধিত বিষয়ৰ বিভিন্ন তথ্য বুলেটিন বোৰ্ডত উপস্থাপন কৰিবৰ বাবে ছাত্ৰ-ছাত্ৰীক সেইবোৰ সংগ্ৰহ কৰিবলৈ উৎসাহিত কৰিব লাগে।



৯.১০ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ মাধ্যম মানে কি?

প্ৰশ্ন ২ ঃ গণ মাধ্যমৰ দুটা বৈশিষ্ট্য লিখক।

প্ৰশ্ন ৩ ঃ গ্ৰাফিক সজুলিৰ প্ৰকাৰবোৰ উল্লেখ কৰক